# ইন্টিকাবুৰ ৰহমানৰ কবিতা

**সাঁকো**

বন্ধুক ক’লোঁ
সপোনৰ বাটত জেওৰা নিদিবা
এখন দলঙৰহে প্ৰয়োজন।
ৰাৱণক বধিবলৈ
বানৰ সেনাই
বনোৱা সাঁকোৰ দৰে।

**সপোন**

ডাৱৰৰ মাজত
লুকাই থকা সপোনবোৰে
আন্ধাৰ পোহৰৰদৰে
মাজে মাজে
ভুমুকি মাৰে।
কাছৰ মুৰটোৰ দৰে।